# থিচলনীকীয়া বিলাকৰ প্ৰতি প্ৰথম পত্ৰ

১ ১পৰম পিতা পৰমেশ্বৰ আৰু প্ৰভূ যীচু খ্ৰীষ্টত থকা
থিচলনীকীয়া বিলাকৰ মণ্ডলীৰ সমীপলৈ পৌল,
চীল আৰু তীমথিয়ৰ পৰা, ঈশ্বৰৰ অনুগ্ৰহ আৰু শান্তি
তোমালোকৰ লগত থাকক।

### থিচলনীকীয়া বিলাকৰ জীৱন আৰু বিশ্বাস

২আমি সদায় তোমালোকৰ বাবে ঈশ্বৰৰ ধন্যবাদ কৰো
আৰু আমাৰ প্ৰাৰ্থনাত তোমালোকক সোঁৱৰণ কৰি আছোঁ।
৩তোমালোকৰ বিশ্বাসৰ কাৰ্য্য, প্ৰেমৰ পৰিশ্ৰম আৰু আমাৰ
প্ৰভূ যীচু খ্ৰীষ্টত আশাৰে উৎপন্ন হোৱা তোমালোকৰ
ধৈৰ্য্যতাপূৰ্ণ সহনশীলতাক আমি সদায় সোঁৱৰণ কৰি
আছো। ৪ঈশ্বৰত প্ৰিয় হে আমাৰ ভাইবিলাক, আমি জানো
যে তোমালোক তেওঁৰ আমন্ত্ৰিত লোক। ৫কিয়নো আমাৰ
শুভবাৰ্তাৰ বিৱৰণ তোমালোকলৈ কেৱল শব্দৰে নহৈ,
পবিত্ৰ আত্মাৰ শক্তিৰে আৰু সম্পৰ্ণ শ্ৰদ্ধাৰে তোমালোকৰ
মাজত উপস্থিত হ'ল। তোমালোকে জানা যে আমি যেতিয়া
তোমালোকৰ তাত আছিলো, তোমালোকৰ লাভৰ বাবে
কেনেদৰে জীৱন-যাপন কৰিছিলো তাক তোমালোকে
জানা। ৬কঠোৰ তাড়নাৰ মাজত তোমালোকে পবিত্ৰ দিয়া
আনন্দৰে শুভবাৰ্তা গ্ৰহণ কৰিছিলো আৰু আমাৰ লগতে
প্ৰভূৰো অনুকাৰী হলা। ৭সেইয়ে মাকিদনিয়া আৰু আখায়াত
থকা সকলো বিশ্বাসীৰ বাবে তোমালোক এক আদৰ্শ হলা।
৮কিয়নো তোমালোকৰ পৰা প্ৰভূৰ বাৰ্তা যি প্ৰতিধ্বনি হল
সি কেৱল মাকিদনিয়া আৰু আখায়াতে শুনা গল এনে
নহয়, কিন্তু ঈশ্বৰ প্ৰতি তোমালোকৰ যি বিশ্বাস সি সকলো
ঠাইতে ব্যাপ্ত হ'ল। তাতে আমাৰ কোনো কবৰ প্ৰয়োজন
নাই। ৯-১০কাৰণ আমাৰ বিষয়ে অৰ্থাৎ তোমালোকে কি
দৰে আমাক গ্ৰহণ কৰিছিলা আৰু তোমালোকে জীৱনময়
সত্য ঈশ্বৰক সেৱা কৰিবলৈ আৰু স্বৰ্গৰ পৰা তেওঁৰ পুত্ৰৰ
আগমনলৈকে অপেক্ষা কৰিবলৈ কি দৰে তোমালোকে
মূৰ্ত্তিবোৰৰ পৰা ঈশ্বৰলৈ ঘুৰিছিলা তাক তেওঁলোকে নিজে
বৰ্ণনা দিয়ে। পুত্ৰ অৰ্থাৎ যীচুক তেওঁ মৃত বিলাকৰ মাজৰ পৰা
তুলিলে আৰু সেই ঈশ্বৰেই আমাক আহিব লগীয়া ক্ৰোধৰ
পৰা উদ্ধাৰ কৰিব।

### থিচলনীকীয়াত পৌলৰ কাৰ্য্য

২ ১হে ভাইবিলাক, তোমালোকে নিজে জানা যে,
আমি তোমালোকৰ তালৈ যোৱাটো নিৰৰ্থক হোৱা
নাছিল। ২তোমালোকে জানা যে ফিলিপী নগৰত অনেক
তাড়না আৰু দুব্যৱহাৰ সহন কৰাৰ পাছতো ঈশ্বৰৰ সহায়ত
আমি অনেক বিৰোধীতাৰ মাজত থাকি ঈশ্বৰৰ শুভবাৰ্তা
দিবলৈ সাহস প্ৰাপ্ত হৈছিলোঁ। ৩নিশ্চয় আমাৰ সেই
উপদেশ কোনে ভ্ৰান্তি বা চালনাযুক্ত বা অশুচিতা মূলক
নহয়। ৪আমি মানুহক সেই ঈশ্বৰক সন্তুষ্ট কৰিব বিচাৰো
যি জনে আমাৰ হৃদয়ক পৰীক্ষা কৰে। ৫নিশ্চয়ে আমি
কোনো খোচামোদ বাক্যৰে তোমালোকৰ ওচৰলৈ অহা
নাই। তোমালোকে জানা যে আমাৰ উপদেশ কোনো লোভ
ঢাকিবলৈ চালনাযুক্ত নহয়। ঈশ্বৰ ইয়াৰ সাক্ষী। ৬আমি
মানুহৰ পৰা কোনো মান-সন্মান নিবিচাৰিলোঁ। তোমালোকৰ
আৰু আন কাৰো পৰা নিবিচাৰিলোঁ। ৭তথাপি আমি খ্ৰীষ্টৰ
পাঁচনি ৰূপে নিজৰ অধিকাৰ প্ৰাপ্ত কৰিব পাৰিলোঁহেঁতেন,
কিন্তু আমি তোমালোকৰ মাজত এনেকৈ নম্ৰতাৰে জীৱন-
যাপন কৰিলো, [a] যিদৰে মাক পিয়াহ খুৱাই নিজ সন্তানক
লালন-পালন কৰে। ৮আমি তোমালোকৰ প্ৰতি এনেকৈ
নম্ৰ ব্যৱহাৰ কৰিছিলোঁ, সেই বাবে ঈশ্বৰৰ পৰা পোৱা
শুভবাৰ্তাকেই নহয় কিন্তু নিজ নিজ প্ৰানকে দিবলৈ সন্তুষ্ট
আছিলোঁ, কিয়নো তোমালোক আমাৰ প্ৰিয়প্ৰাত্ৰ হোৱা। ৯হে
ভাই বিলাক তোমালোকে আমাৰ কঠোৰ পৰিশ্ৰম আৰু
মেহনতক মনত ৰাখিবা, তোমালোকৰ ওপৰত কোনো
ভাৰ নিদিবলৈ আমি দিন-ৰাতিয়ে পৰিশ্ৰম কৰি ঈশ্বৰৰ
শুভবাৰ্তা প্ৰচাৰ কৰিছিলো। ১০তোমামালোকৰ প্ৰতি আমি
কেনে পবিত্ৰ, ধাৰ্মিক আৰু নিৰ্দোষী ৰূপ আচৰণ কৰিছিলো
তাৰ সাক্ষী তোমালোক আৰু ঈশ্বৰো। ১১তোমালোকে
জানা যে যি দৰে পিতৃয়ে নিজ সন্তানৰ লগত ব্যৱহাৰ
কৰে। ১২সেইদৰে আমিও তোমালোকৰ প্ৰিত আচৰণ
কৰিলো আৰু যি ঈশ্বৰে তোমালোকক তেওঁ ৰাজ্যলৈ
নিমন্ত্ৰণ কৰিলে, তেওঁৰ প্ৰতি যোগ্য আচৰণ কৰিবলৈ
উপদেশ দিলো। ১৩আৰু সেইয়ে আমি নিৰন্ত্ৰৰে ঈশ্বৰ
ধন্যবাদ কৰোঁ, কিয়নো আমাৰ পৰা যেতিয়া তোমালোকে
বাক্য গ্ৰহণ কৰিলা তেতিয়া মানুহৰ বাক্য ৰূপে নহয় কিন্তু
ঈশ্বৰৰ বাক্য ৰূপে গ্ৰহণ কৰিলা, সেইযে প্ৰকৃতৰূপেই
ঈশ্বৰ বাক্য। বিশ্বাসীসকলৰ মাজত সেই বাক্যই কাৰ্য্য
সাধন কৰে। ১৪হে ভাই বিলাক, তোমালোকে যিহুদীয়াত
থকা খ্ৰীষ্ট যীচুত ঈশ্বৰৰ যি মণ্ডলী সেই মণ্ডলীপবিলাকৰ
আনুকৰণ কৰিলা।তোমালোকে যি দৰে নিজৰ স্বজাতীয়
লোকৰ পৰা দুখ-কষ্ট পালা সেইদৰে তেওঁলোকেও নিজৰ
যিহুদীলোকৰ পৰা দুখ পালে। ১৫তেওঁলোকে প্ৰভূ যীচুক
হত্যা কৰিলে আৰু ভাৱবাদী সকলকো বাহিৰ কৰি খেদিলে।
তেওঁলোকে ঈশ্বৰক সন্তুষ্ট নকৰে, স্বৰূপেই তেওঁলোক
মানৱতাৰ বিৰোদ্ধী। ১৬তেওঁলোকে পৰজাতি সকলৰ আগত

[a] **২:৭ কিন্তু … কৰিলো,** কিছুমান বিহুদী পত্ৰত, কিন্তু আমি তোমালোকৰ মাজত সৰু সন্তানৰ দৰে বুলি আছে।

শুভবাৰ্তাৰ উপদেশ দিবলৈ নিষেধ কৰি কয় সিহঁতে উদ্ধাৰ নাপাওক৷ এই বিলাক কথাৰে তেওঁলোকে সদায় নিজকে পাপেৰে পূৰ্ণ কৰে, কিন্তু এতিয়া ঈশ্বৰৰ অনন্তকাৰী ক্ৰোধ তেওঁলোকৰ ওচৰ পালেহি৷

### পুনৰ লগ পাবলৈ ইচ্ছা

১৭হে ভাইবিলাক, আমাৰ কথাত হলে, অলপ সময়ৰ বাবে আমি তোমালোকৰ পৰা বিৰত আছিলো৷ মনেৰে নহয়, কেৱল শাৰীৰিক ভাবেহে৷ সেইয়ে তোমালোকক লগ পাবলৈ আমি অতিশয় ইচ্ছা কৰিছো৷ ১৮হয়! আমি তোমালোক লগ পাবলৈ বহুত যত্ন কৰিছোঁ৷ তাৰবাবে মই পৌলৈ অনেকবাৰ প্ৰচেষ্টা কৰিছিলো, কিন্তু চয়তানে তাত বাধা দিলে৷ ভাল বঁটাৰ অৰ্থে আমাৰ আশা, আমাৰ আনন্দ বা আমাৰ গৌৰৱস্বৰূপ কিৰিটি কি? তোমালোকেই নোহোৱানে৷ ১৯আমাৰ প্ৰভূ যীচু দ্বিতীয় আগমনত যেতিয়া আমি তেওঁ সাক্ষ্যাতে উপস্থিত হম৷ ২০তেতিয়া বাস্তৱিকতে তোমালোকেই আমাৰ গৌৰৱ আৰু আনন্দ হবা৷

৩ ১কিয়নো আমি আৰু অধিক অপেক্ষা কৰিব নোৱাৰো, সেইয়ে মই অকলেই অথীনী নগৰত থাকিবলৈ সিদ্ধান্ত ললোঁ৷ ২আৰু আমি আমাৰ বন্ধু তথা ঈশ্বৰৰ বাবে খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰাত আমাৰ সহকমী তীমথিয়ক তোমালোকক সুস্থিৰ কৰিবলৈ আৰু বিশ্বাসত উৎসাহিত কৰিবলৈ তোমালোকৰ তালৈ পঠালো৷ ৩যাতে সেই ক্লেশবোৰৰ মাজত কোনেও বিচলিত নহয়৷ কিয়নো তোমালোকে জানাই যে আমি সেই ক্লেশৰ নিমিত্তেই নিযুক্ত হৈছো৷ ৪স্বৰূপেই আমি প্ৰথমৰে পৰা কৈছিলো যে আমাৰ ওপৰত ক্লেশ আহিব লগীয়া জানা৷ ৫সেইয়েহে মই আৰু অধিক অপেক্ষা কৰিব নোৱাৰি তোমালোকৰ বিশ্বাস বিষয়ে জানিবলৈ তীমথিয়ক পঠাইছিলো৷ কিয়নো সেই পৰিক্ষকে পৰিক্ষা কৰাত কিজানি আমাৰ কঠোৰ পৰিশ্ৰম বৃথা হব বুলি মোৰ ভয় হৈছিল৷ ৬তোমালোকৰ তাৰ পৰা এতিয়া তীমথিয় আমাৰ ওচৰলৈ ঘূৰি আহিল আৰু তেওঁ আমাক তোমালোকৰ বিশ্বাস আৰু তোমালোকৰ প্ৰেমৰ বিষয়ে সুসম্বাদ দিলে৷ তেওঁ আমাক জনালে যে তোমালোকে আমাক ভালমতে সুঁৱৰি আছা আৰু আমাক লগ পাপবলৈ অতি আগ্ৰহ কিৰ আছা, যেনেকৈ আমি তোমালোকক পাবলৈ ইচ্ছা কৰো৷ ৭সেইয়ে হে ভাইবিলাক, আমাক সকলো তাড়না আৰু উৎসাহ বহুত বৃদ্ধি হ'ল৷ ৮হয়? আমি এতিয়া পুনৰ জীলোঁ, কিয়নো তোমালোক প্ৰভূত থিৰে আছা বুলি জানিব পাৰিলোঁ৷ ৯তোমালোকৰ বিষয়ে জানি যি আনন্দ লাভ কৰিলোঁ, তাৰ প্ৰতিদান স্বৰূপে আমি কি ৰূপে ঈশ্বৰৰ ধন্যবাদ কৰোঁ? ১০ৰাতিয়ে-দিনে অধিক মনযোগেৰে প্ৰাৰ্থনা কৰি আছো যাতে যিকোনো প্ৰকাৰে তোমালোকৰ মুখ পুনৰ দেখিবলৈ পাও আৰু তোমালোকৰ বিশ্বাসত যি কিছু অভাৱ আছে তাক পুৰা কৰে৷ ১১আমাৰ পৰম পিতা ঈশ্বৰ আৰু প্ৰভূ যীচুৱে তোমালোকৰ ওচৰলৈ আহিবলৈ আমাৰ পথ সুগম কৰক৷ ১২আৰু প্ৰভূৱে ইজনে-সিজনৰ প্ৰতি আৰু সকলোৰে বাবে তোমালোকৰ প্ৰতি আমাৰ প্ৰেম উপচি পৰিছিল৷ ১৩সেই দৰে তেওঁ তোমালোকৰ হৃদয় সুদৃঢ় কৰক আৰু প্ৰভূ যীচু যেতিয়া আহিব তেওঁৰ সেই আগমনত পিতৃ ঈশ্বৰৰ আগত নিজৰ সেই পবিত্ৰ স্বৰ্গদুত বিলাকৰ সৈতে তোমালোকৰ পবিত্ৰ তথা নিৰ্দ্দোষীৰূপে থিৰ কৰক৷

### ঈশ্বৰক সন্তুষ্ট কৰা জীৱন

৪ ১হে ভাইবিলাক এতিয়া আমি তোমালোকক আৰু কিছু কথা কবলৈ আছো৷ যীচু খ্ৰীষ্টৰ নামেৰে আমি তোমালোকক বিনয় এনেকি নিবেদন কৰো যে তোমালোকে আমাৰ পৰা যি ৰূপ শিক্ষা গ্ৰহণ কৰিলা, তোমালোকে ঈশ্বৰক সন্তুষ্ট কৰিবৰ বাবে সেইৰূপে আচৰণ কৰিবা৷ ২নিশ্চয় তোমালোকে সেই ৰূপে আচৰণ কৰিছাও৷ কিন্তু তোমালোকে আৰু অধিক অধিকৈ উপচি পৰিবা৷ ৩কিয়নে প্ৰভূ যীচু নামৰ দ্বাৰাই আমি তোমালোকক কি কি আদেশ দিছিলো তাক তোমালোকে জানা৷ আৰু ঈশ্বৰৰ এই ইচ্ছা যে তোমালোকে পবিত্ৰ হোৱা, ব্যভিচাৰৰ পৰা দূৰ হৈ থাকা ৪নিজৰ শাৰীৰিক কামনাৰ ওপৰত নিৰন্ত্ৰণ ৰাখা যিটো পবিত্ৰ আৰু আদৰণিয়ও হয়৷[a] ৫ঈশ্বৰৰ নজনা পৰজাতি বিলাকৰ নিচিনা কামনা পূৰ্ণ ভাৱনাৰ পৰা দূৰ হোৱা৷ ৬ঈশ্বৰৰ এইটোও ইচ্ছা যে সেই বিষয়ত কোনেও নিজৰ ভাইৰ প্ৰতি অপৰাধ নকৰে বা কোনো অনুচিৎ কাৰ্য্যও নকৰে, কিয়নো এনেকুৱা সকলো পাপবোৰৰ বাবে প্ৰভূৱে প্ৰতিফল দিওঁতা এই বিষয়ে আমি তোমালোকক আগেয়ে কৈছিলোঁ আৰু সাৱধান কৰি দিছিলোঁ৷ ৭ঈশ্বৰে আমাক অপবিত্ৰতালৈ নহয় কিন্তু পবিত্ৰতালৈ আমন্ত্ৰণ কৰিলে৷ ৮এতেকে যি কোনোৱে এই শিক্ষা গ্ৰহণ নকৰে তেওঁ মানুহক নহয়, কিন্তু ঈশ্বৰকহে অগ্ৰাহ্য কৰে৷ যিজন ঈশ্বৰে তোমালোকক নিজৰ পবিত্ৰ আত্মা দান কৰে৷ ৯এতিয়া তোমালোকৰ মাজত ভাতৃপ্ৰেমৰ বিষয়ে লিখো এই বিষয়ে লিখা প্ৰয়োজন নাই, কিয়নো ঈশ্বৰে নিজে তোমালোকক ইজনে সিজনৰ প্ৰতি প্ৰেম কৰিবলৈ শিক্ষা দিলে৷ ১০আৰু বাস্তৱৰূপে তোমালোকে মাফিদ নিয়া সমূদায় ভাই বিলাকৰ প্ৰতি তাক কৰিছা৷ কিন্তু হে ভাই বিলাক৷আমি তোমালোক ইয়াতকৈও অধিক অধিক কৰিবৰ বাব বিনয় কৰো৷ ১১শান্তিপূৰ্বক জীৱন-যাপন কৰাটো আদৰণীয় বুলি ভাবিবা৷ কামৰ ওপৰত কাম কৰিবা৷ নিজ হাতেৰে পৰিশ্ৰম কৰিবা, যি দৰে আমি তোমালোকক কৈছিলো৷ ১২ইয়াতে তোমালোকক মণ্ডলীৰ বাহিৰা লোকে আদৰ কৰিব৷ তাতে তোমালোকৰ কাৰো ওপৰত ভাৰষা কৰাৰ প্ৰয়োজন নহব৷ ১৩হে ভাইবিলাক, যি সকলে চিৰ নিদ্ৰিত হ'ল সেইসকলৰ বিষয়ে জনাটো আমি বিচাৰো যাতে তোমালোক সেই আশাহীন ব্যক্তিসকলৰ দৰে শোকাতুৰ নোহোৱা৷ ১৪কিয়নো যদি আমি বিশ্বাস কৰো যে যীচু মৰিল আৰু তেওঁ পুনৰায় জী উঠিল, তেন্তে সেইদৰে

[a] *8:8* ইয়াৰ অনুবাদ এনেদৰে কৰিব পাৰি: "নিজৰ পত্নিৰ লগত যিদৰে থকা হয়৷"

যিজনে তেওঁত বিশ্বাস কৰি মৃত্যু হয়, তেওঁকো ঈশ্বৰে সেইদৰে কৰিব আৰু যীচুৰ লগত লৈ যাব। ১৫যেতিয়া প্ৰভুৰ আগমন হব তেতিয়া আমি বৰ্তমান জীয়াই থকা সকল সেই মৃত সকলতকৈ কোনো গুণে আগ নহম। ১৬কিয়নে প্ৰধান স্বৰ্গদূতে উচ্চ স্বৰে আদেশ দিব আৰু ঈশ্বৰৰ তুৰী বা জীৰ তেতিয়া প্ৰভু নিজে স্বৰ্গৰ পৰা নামি আহিব। ১৭ইয়াৰ পাছত আমি যি সকল ইয়াত জীয়াই থাকিম, মেঘ ৰথত আকাশত প্ৰভুৰ লগ লবলৈ তুলি নিয়া হম আৰু এই দৰেই আমি সদা কাল প্ৰভুৰ লগত থাকিম। ১৮এতেকে এইবিলাক বাক্যৰে তোমালোকে ইজনে সিজনক শান্তনা দিবা।

### প্ৰভুক আদৰিবলৈ সাজু হৈ থাকিবা

৫ ১হে ভাইবিলাক, সেই সময় আৰু তিথিৰ বিষয়ে তোমালোকলৈ লিখিবলৈ কোনো প্ৰয়োজন নাই। ২কিয়নো তোমালোকলৈ নিজে বহুত ভালদৰে জানা যে যেনেকৈ চোৰে ৰাতি গুপুতে আহে সেইদৰেই প্ৰভুৰ পুনৰ আগমনৰ দিনো আহিব। ৩যেতিয়া মানুহবিলাকে কৈ থাকিব ‘সকলো শান্তি আৰু সুৰক্ষিত’ তেতিয়া গৰ্ভৱতী স্ত্ৰীৰ প্ৰসৱ বেদনা অহাৰ দৰে তেওঁবিলাকৰ ওপৰলৈ আকস্মিক বিনাশ আহিব আৰু তাৰ পৰা তেওঁলোকে কোনোমতে সাৰিব নোৱাৰিব। ৪কিন্তু হে ভাইবিলাক, তোমালোক অন্ধকাৰৰ লোক নোহোৱা যে তোমালোকৰ ওপৰত সেইদিন চোৰৰ দৰে আহিব। ৫তোমালোক পোহৰৰ পুত্ৰ আৰু দিনৰ সন্তান হোৱা।আমাৰ ৰাতি বা আন্ধাৰৰ লগত কোনো সমন্ধ নাই। ৬সেইয়ে আমি আনবিলাকৰ দৰে শুই নাথাকিব লাগে, কিন্তু সাৰধানেৰে আমি নিজৰ ওপৰত সচেতন হৈ থাকিব লাগে। ৭কিয়নো যি বিলাকে শোৱে তেওঁবিলাকে ৰাতিহে শোৱে আৰু যি বিলাকে মতলীয়া হয় তেওঁদিনৰ লগতহে মতলীয়া হয়। ৮কিন্তু আমাৰ হলে এই হেতুককে আহাঁ বিশ্বাস আৰু শিৰোৰক্ষক পিন্ধি সজাগ হৈ থাকোঁহঁক। ৯কিয়নো ঈশ্বৰে আমাক ক্ৰোধৰ বাবে নহয় বৰঞ্চ আমাৰ প্ৰভু যীচুৰ দ্বাৰা মুক্তিলাভ কৰিবলে সৃষ্টি কৰিলে। ১০যীচু খ্ৰীষ্টই আমাৰ বাবে প্ৰাণ দিলে যিহতে আমি সময়ত থাকো বা মৰো, তেওঁ পুনৰ অহাৰ সময়ত যাতে আমি তেওঁৰেই হৈ থাকিব পাৰো। ১১এই হেতুকে পৰস্পৰে সুখেৰে থাকি ইজনে সিজনক আধ্যাত্মিকৰূপে প্ৰবোধ দি থাকিবা। যি দৰে তোমালোকে কৰিও আছা।

### শেষ আদেশ আৰু মঙ্গলবাদ

১২হে ভাইবিলাক, তোমালোকৰ প্ৰতি আমাৰ নিবেদন এই যে যি সকল লোকে তোমালোকৰ মাজত পৰিশ্ৰম কৰি আছে আৰু প্ৰভুত তোমালোকৰ ওপৰত নিযুক্ত আছে, তেওঁলোকক আদৰ কৰা। ১৩তোমালোকৰ প্ৰতি আমাৰ নিবেদন যে প্ৰেমেৰে সৈতে তেওঁলোকক সম্পূৰ্ণ আদৰ কৰা। পৰস্পৰে শান্তিৰে থাকিবা। ১৪হে ভাইবিলাক, তোমালোকৰ ওচৰত আমাৰ নিবেদন যে এলেহুৱা বিলাকক সকিয়নি দিয়া, অল্প-সাহসী বিলাকক আশ্বাস দিয়া, দুৰ্বল লোকক সহায় কৰা, সকলোৰে প্ৰতি চিৰ সহিষ্ণু হোৱা। ১৫সাৰধান হোৱা কোনেও অপকাৰৰ সলনি কাৰো অপকাৰ নকৰক বৰঞ্চ সকলোৰে ইজনে-সিজনৰ লগত ভালেৰে থাকিবলৈ যত্ন কৰা। ১৬সদায় আনন্দ কৰা। ১৭প্ৰাৰ্থনা কৰিবলৈ কেতিয়াও নেৰিবা। ১৮সকলো পৰিস্থিতিতে ঈশ্বৰৰ ধন্যবাদ কৰা। ১৯পবিত্ৰ আত্মাৰ কামক দমন কৰি নাথাকিবা। ২০ভাৱবাদী সকলৰ কথাক হেয়জ্ঞান নকৰিবা। ২১সকলো কথা পৰীক্ষা কৰি যি উত্তম তাক গ্ৰহণ কৰিবা। ২২সকলো প্ৰকাৰৰ বেয়াৰ পৰা পৃথকে থাকিবা। ২৩শান্তিৰ আকৰ ঈশ্বৰে নিজে তোমালোকক পবিত্ৰ কৰক সম্পৰ্ণৰূপে তেওঁত সমৰ্পিত হোৱা আৰু প্ৰভু যীচু আগমনৰ কালত নিদ্দোষী হবলৈ তোমালোকৰ আত্মা, প্ৰাণ আৰু শৰীৰ সম্পূৰ্ণৰূপে ৰক্ষিত হওক। ২৪যি ঈশ্বৰে তোমালোকক আমন্ত্ৰণ কৰিলে তেওঁ বিশ্বাসী, নিশ্চয়ে তেওঁ তাক কৰিব। ২৫হে ভাই বিলাক, আমাৰ বাবেও প্ৰাৰ্থনা কৰিবা। ২৬সকলো ভাইকে পবিত্ৰ চুমাৰে মঙ্গলবাদ কৰিবা। ২৭তোমালোকক প্ৰভুৰ শপত দি এই আজ্ঞা দিছো যে এই পত্ৰ সকলো ভাইবিলাকৰ আগত পঢ়ি শুনাবা। ২৮আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ লগত থাকক।